**GANIT : Sastha srenir babe :** A textbook in Mathematics for class-VI in Assamese medium developed by SCERT, Assam and approved by the Government of Assam and Published by the Assam State Textbook Production and Publication Corporation Limited, Guwahati.

FREE TEXTBOOK

---

**All rights reserved :** No reproduction in any form of this book, in whole or in part (except for brief quotation in critical articles or reviews) may be made without written authorization from the copyright authorities.

© : State Council of Educational Research and Training, Assam

প্ৰথম প্ৰকাশ ঃ ২০২০

ঃ অসম চৰকাৰৰ অৰ্থ সাহায্যত বিনামূলীয়াকৈ বিতৰণৰ বাবে প্ৰকাশিত পাঠ্যপুথি।

প্ৰকাশক ঃ অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগম লিমিটেড, গুৱাহাটী

মুদ্ৰক ঃ নিজ'ন পেকেজিং প্ৰাইভেট লিমিটেড
আমিনগাঁও, গুৱাহাটী-৩১

সিদ্ধাৰ্থ ভট্টাচাৰ্য্য
**Siddhartha Bhattacharya,** M.A.,LL.B.
Cabinet Minister
Department of Education,
Guwahati Development Department,
Department of Law and Justice
Government of Assam

Block-D, 4th Floor,
Assam Secretariat,
Dispur, Guwahati-781006,
Assam



# শুভেচ্ছাবাণী..

শিক্ষা— মানৱ সভ্যতাৰ মেৰুদণ্ড; সমাজ এখনৰ অগ্ৰগতিৰ মূল চালিকা শক্তি। সেয়ে নতুন প্ৰজন্মক সঠিক শিক্ষাৰে শিক্ষিত কৰি তোলাতো অগ্ৰজ সকলৰ দায়িত্ব। চৰকাৰৰো এই ক্ষেত্ৰত বহু গুৰুত্বপূৰ্ণ ভূমিকা আছে। শিক্ষানুষ্ঠানত শিক্ষা গ্ৰহণৰ প্ৰধান আহিলা হ'ল পাঠ্যপুথি। একোখন ভাল পাঠ্যপুথিয়ে ছাত্ৰ জীৱনৰ জ্ঞানৰ উকা দিশবোৰ পূৰণ কৰে। যি জ্ঞানে তেওঁলোকক ভৱিষ্যতে সুনাগৰিক ৰূপে গঢ়ি তোলাৰ পথ প্ৰশস্ত কৰে। আৰ্থিকভাৱে স্বচ্ছলৰ লগতে আৰ্থিকভাৱে অনগ্ৰসৰ ছাত্ৰ-ছাত্ৰীয়েও যাতে পাঠ্যপুথিৰ অভাৱত শিক্ষা গ্ৰহণত বাধা নাপায় তাৰ বাবে অসম চৰকাৰ দায়িত্বশীল।

এই সকলো দিশ চালি-জাৰি চাই আমাৰ চৰকাৰে বিগত বৰ্ষসমূহত চৰকাৰী, প্ৰাদেশীকৃত আৰু চৰকাৰী সাহায্যপ্ৰাপ্ত বিদ্যালয়সমূহৰ 'ক' শ্ৰেণীৰ পৰা উচ্চ মাধ্যমিক পৰ্যায়ক অন্তৰ্ভুক্ত কৰি 'দশম' শ্ৰেণীলৈকে সকলো ছাত্ৰ-ছাত্ৰীক বিনামূলীয়া পাঠ্যপুথি প্ৰদান কৰি আহিছে। আমাৰ চৰকাৰে উচ্চতৰ মাধ্যমিক একাদশ আৰু দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ্থে আৰু উচ্চতৰ মাধ্যমিকৰ শিক্ষা ব্যৱস্থাৰ উন্নতিকল্পে এই বিনামূলীয়া পাঠ্যপুথি যোগানৰ আঁচনিখন প্ৰসাৰৰ ব্যৱস্থা গ্ৰহণ কৰিছে। সেই উদ্দেশ্যে ২০১৮-১৯ শিক্ষাবৰ্ষৰপৰা একাদশ আৰু দ্বাদশ শ্ৰেণীৰ কলা, বিজ্ঞান, বাণিজ্য আৰু বৃত্তিগত শাখাৰ চৰকাৰী, প্ৰাদেশীকৃত আৰু চৰকাৰী সাহায্যপ্ৰাপ্ত বিদ্যালয়, মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীলৈ আমাৰ চৰকাৰে মূল পাঁচটা বিষয়ৰ পাঠ্যপুথি বিনামূলীয়াকৈ যোগান ধৰাৰ ব্যৱস্থা হাতত লৈছে। স্নাতক (কলা, বিজ্ঞান, বাণিজ্য) শ্ৰেণী পৰ্যন্ত চৰকাৰে বিনামূলীয়া পাঠ্যপুথি প্ৰদানৰো সিদ্ধান্ত লৈছে।

গুণগত শিক্ষাৰ প্ৰসাৰ আৰু শিক্ষাৰ্থীৰ শৈক্ষিক উৎকৰ্ষ সাধনৰ বাবে বৰ্তমানৰ চৰকাৰে অহৰ্নিশে প্ৰচেষ্টা চলাই আহিছে। দৰিদ্ৰতা যাতে উচ্চ শিক্ষা গ্ৰহণৰ পথত বাধাৰ প্ৰাচীৰ স্বৰূপ হ'ব নোৱাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি ইতিমধ্যে বিনামূলীয়া পাঠ্যপুথি যোগানৰ উপৰি চৰকাৰে বছৰি কম উপাৰ্জনৰ আৰ্থিকভাৱে পিছপৰা পৰিয়ালৰ শিক্ষাৰ্থীলৈ হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ মাচুল ৰেহাই দিয়াৰ ব্যৱস্থা কৰিছে। মাধ্যমিক স্তৰতো ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তিৰ মাচুল ৰেহাই দিয়াৰ বাবে চৰকাৰে ব্যৱস্থা লৈছে। ইতিমধ্যে উচ্চতৰ মাধ্যমিক আৰু স্নাতক শ্ৰেণীত নামভৰ্তি কৰা দৰিদ্ৰ পৰিয়ালৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাচুল ৰেহাইৰ আঁচনি বৰ্তমানৰ চৰকাৰে ৰাজ্যখনত প্ৰথমবাৰৰ বাবে ৰূপায়ণ কৰিছে। পৰৱৰ্তী সময়ত স্নাতকোত্তৰ শ্ৰেণীত নামভৰ্তি কৰিব বিচৰা দুখীয়া ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এই আঁচনি চৰকাৰে সম্প্ৰসাৰণ কৰাৰো পৰিকল্পনা কৰিছে। ইয়ে ভৱিষ্যতে ছাত্ৰ-ছাত্ৰীক উচ্চ শিক্ষা গ্ৰহণৰ বাবে নিশ্চয়কৈ অনুপ্ৰাণিত কৰিব। শিক্ষাখণ্ডক ইতিবাচক দিশেৰে আগুৱাই নিবলৈ ৰাজ্যখনৰ প্ৰাথমিক স্তৰৰ শিক্ষাৰ প্ৰকৃত মূল্যায়ন কৰাৰ উদ্দেশ্যে তথা এক স্পষ্ট আৰু সঠিক দিশ নিৰ্ধাৰণ কৰিবলৈ ৰাজ্য চৰকাৰে ইতিমধ্যে গুণোৎসৱৰ দৰে কাৰ্যসূচীও গ্ৰহণ কৰিছে আৰু যথেষ্ট ফলপ্ৰসূও হৈছে।

শিক্ষাৰ অন্যান্য উপাদানসমূহতকৈ মূলতঃ শিক্ষাৰ্থী-কেন্দ্ৰিক শিক্ষা ব্যৱস্থাত আমি বিশ্বাসী। সেয়ে আমাৰ এই সমূহ আঁচনিৰ সফল ৰূপায়ণৰ দ্বাৰা শিক্ষাৰ্থীসকলে নিৰলস সাধনাৰে জ্ঞান আহৰণৰ যজ্ঞত আত্মনিয়োগ কৰি ৰাষ্ট্ৰৰ সম্পদৰূপে নিজকে গঢ়ি তুলিব বুলি আমি আশা ৰাখিছোঁ। শিক্ষাৰ্থীসকলক বিনামূলীয়া পাঠ্যপুথি যোগানৰ এই মহান কাৰ্য সম্পাদনৰ বাবে মই অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ, অসম মাধ্যমিক শিক্ষা পৰিষদ, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ তথা সংশ্লিষ্ট বিভাগসমূহ আৰু অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগমৰ প্ৰতি শুভেচ্ছা জ্ঞাপন কৰিছোঁ আৰু সৰ্বত্ৰ সফলতা কামনা কৰিছোঁ।

(সিদ্ধাৰ্থ ভট্টাচাৰ্য্য)

# পাতনি

১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতিত উল্লেখ কৰা শিশুকেন্দ্ৰিক শিক্ষা পদ্ধতিৰ সফল ৰূপায়ণৰ লগতে প্ৰাথমিক শিক্ষাক সাৰ্বজনীন কৰাৰ ক্ষেত্ৰত বিদ্যালয়সমূহত পাঠ্যপুথিৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। এই কথাকে সাৰোগত কৰি ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ অসমে, অসম চৰকাৰৰ নিৰ্দেশ সাপেক্ষে সময়ে সময়ে প্ৰাথমিক স্তৰৰ পাঠ্যপুথিসমূহ প্ৰস্তুত আৰু পুনৰীক্ষণ কৰি আহিছে। এই বেলি অসম চৰকাৰৰ নিৰ্দেশ অনুযায়ী ২০২০ চনৰ শৈক্ষিক বৰ্ষৰ পৰা প্ৰচলন হ'ব পৰাকৈ প্ৰাথমিক বিদ্যালয়ৰ ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে 'গণিত' (ষষ্ঠ শ্ৰেণীৰ বাবে) পাঠ্যপুথিখন প্ৰস্তুত কৰি উলিয়াইছে। এই পুথিখন 'ৰাষ্ট্ৰীয় কেৰিকুলাম ৰূপৰেখা, ২০০৫'ৰ আধাৰত প্ৰাথমিক পৰ্যায়ৰ বাবে প্ৰস্তুত কৰা ৰাজ্যিক পাঠ্যক্ৰম আৰু শেহতীয়াকৈ ৰাষ্ট্ৰীয় শৈক্ষিক অনুসন্ধান আৰু প্ৰশিক্ষণ পৰিষদ, নতুন দিল্লীৰ দ্বাৰা প্ৰস্তুত কৰা 'শিকনৰ ফলাফল' (Learning Outcome)ৰ ওপৰত ভিত্তি কৰি প্ৰস্তুত কৰা হৈছে।

গণিতৰ প্ৰাথমিক ধাৰণাবোৰ আয়ত্ত কৰাওঁতে শিশুসকলে যাতে সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিব পাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি এই পাঠ্যপুথিখনত পৰিৱেশ ভিত্তিক ক্ৰিয়া-কলাপ সন্নিৱিষ্ট কৰা হৈছে। পাঠ্যপুথিৰ পাঠসমূহৰ আদান-প্ৰদানৰ ক্ষেত্ৰত শিক্ষকসকলে পাৰ্যমানে বাস্তৱ বস্তুৰ সহায় লৈ শিকন প্ৰক্ৰিয়া আনন্দদায়ক কৰিব বুলি আশা কৰা হ'ল।

পাঠভিত্তিক অধিক জ্ঞানৰ আহৰণৰ বাবে এই কিতাপখনৰ কেইটামান পাঠত Q.R. ক'ড (Quick Response Code) সন্নিৱিষ্ট কৰা হৈছে। Q.R. ক'ড ব্যৱহাৰৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীক শিক্ষক আৰু অভিভাৱকে সহায় কৰিব।

পাঠ্যপুথিখন প্ৰস্তুত কৰোঁতে বিভিন্ন ক্ষেত্ৰত জড়িত অধ্যাপক, বিষয় বিশেষজ্ঞ, শিক্ষক-প্ৰশিক্ষক, শিক্ষক-শিক্ষয়িত্ৰী আৰু পুনৰীক্ষকৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সদাশয় শিক্ষাপ্ৰেমী ৰাইজৰ গঠনমূলক দিহা-পৰামৰ্শই ভৱিষ্যতে পুথিখনৰ সংশোধনত বৰঙণি যোগাব বুলি আশা কৰিলোঁ।

নিবদা দেৱী
(ডঃ নিবদা দেৱী)
সঞ্চালক
ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
কাহিলিপাৰা, গুৱাহাটী-৭৮১০১৯

# সূচীপত্ৰ


| পাঠ নং | পাঠ | পৃষ্ঠা |
|---|---|---|
| 1 | সংখ্যাৰ গঠন | 1-28 |
| 2 | সংখ্যাৰ বিভিন্ন প্ৰকাৰ | 29-50 |
| 3 | জ্যামিতিৰ মৌলিক ধাৰণাসমূহ | 51-75 |
| 4 | পূৰ্ণ সংখ্যা | 76-95 |
| 5 | অখণ্ড সংখ্যা | 96-109 |
| 6 | প্ৰাথমিক আকৃতিসমূহ | 110-124 |
| 7 | ভগ্নাংশ | 125-152 |
| 8 | পৰিসীমা আৰু কালি | 153- 171 |
| 9 | তথ্যৰ ব্যৱহাৰ | 172- 183 |
| 10 | বীজগণিত | 184- 201 |
| 11 | দশমিক ভগ্নাংশ | 202- 223 |
| 12 | সমমিতি | 224- 238 |
| 13 | অনুপাত আৰু সমানুপাত | 239- 255 |
| 14 | ব্যৱহাৰিক জ্যামিতি | 256- 268 |

## পাঠ্যপুথিত সন্নিবিষ্ট QR ক'ডৰ ব্যৱহাৰৰ নিৰ্দেশনাৱলীঃ

## মোবাইলত QR ক'ড ব্যৱহাৰ কৰি ডিজিটেল বিষয়বস্তু কিদৰে পাব পাৰিব ঃ



পাঠ্যপুথিত থকা **QR** ক'ড **scan** কৰিবলৈ **QR** ক'ডৰ আইকনটোত টিপক।




**QR** ক'ডত কেন্দ্ৰ কৰি মোবাইলটো স্থিৰ কৰি ৰাখক।




সফলভাৱে **scan** কৰিলে **QR** ক'ডত সম্পৰ্কিত হৈ থকা বিষয়বস্তুৰ তালিকাখন পাব।


## ডেস্কটপত ডায়েল (DIAL) ক'ড ব্যৱহাৰ কৰি ডিজিটেল বিষয়বস্তু কিদৰে পাব পাৰিব ঃ




**QR** ক'ডৰ তলত থকা **6** টা অংকবিশিষ্ট সংখ্যাটোক ডায়েল **(DIAL)** ক'ড বুলি কোৱা হয়।



আপোনাৰ ব্ৰাউজাৰত **diksha.gov.in/AS/get** টাইপ কৰক।



ডায়েল ক'ডটো চাৰ্চ বাৰডালত টাইপ কৰক।



উপলব্ধ বিষয়বস্তুৰ তালিকাখন চাওক আৰু যিকোনো নতুন বিষয়বস্তুত ক্লিক কৰক।

### VALUE ADDED BENEFITS OF USING DIGITAL CONTENT



Energized textbooks provide easy access to a wide range of educational material to create an engaging learning experience. Each chapter in the textbook has QR codes which when scanned with the DIKSHA app, displays state curated content for that particular chapter.

